যেতিয়া কোনো দুজন মুছলিম ব্যক্তি তৰোৱাল লৈ ইজনে সিজনৰ মুখামুখী হয়, তেতিয়া (জানি থবা) হত্যাকাৰী আৰু নিহত উভয় ব্যক্তিয়েই হৈছে জাহান্নামী।

আবু বাকৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ তেখেতে কৈছেঃ "যেতিয়া কোনো দুজন
মুছলিম ব্যক্তি তৰোৱাল লৈ ইজনে সিজনৰ মুখামুখী হয়, তেতিয়া (জানি থবা) হত্যাকাৰী আৰু নিহত উভয় ব্যক্তিয়েই হৈছে জাহান্নামী।" মই সুধিলোঁ, হে আল্লাহৰ ৰাছুল! হত্যাকাৰী জাহান্নামত যাব (এইটো বাৰু বুজিলোঁ) কিন্তু নিহত ব্যক্তি কিয় জাহান্নামত যাব?
তেখেতে ক'লেঃ "কাৰণ সিও প্ৰতিপক্ষক হত্যা কৰিবলৈ ইচ্ছুক আছিল।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, যেতিয়া দুজন মুছলিম ব্যক্তিয়ে ইজনে সিজনক তৰোৱালেৰে হত্যা কৰিবলৈ মুখামুখী হয়, তেতিয়া হত্যাকাৰী এই কাৰণে জাহান্নামত যাব যে, সি হত্যা কৰিছে। কিন্তু নিহত ব্যক্তিও জাহান্নামত যোৱা কথাটো চাহাবাসকলৰ বোধগম্য নোহোৱাত তেওঁলোকে প্ৰশ্ন কৰিলে, নিহত ব্যক্তি কেনেকৈ জাহান্নামত যাব? তেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাই দিলে যে, সিও প্ৰতিপক্ষক হত্যা কৰিবলৈ সিমানেই আগ্ৰহী আছিল, হত্যাকাৰীয়ে আগতে পদক্ষেপ লোৱাৰ কাৰণেহে সি হত্যা কৰিব পৰা নাছিল।

https://sunnah.global/hadeeth/as/show/4304